জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪৩/২০২০

# জ্যেষ্ঠ সাংবাদিক পদ্মেশ্বৰ চিত্ৰকৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৭ মে'ঃ** জ্যেষ্ঠ সাংবাদিক পদ্মেশ্বৰ চিত্ৰকৰৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত চিত্ৰকৰে অসমৰ সংবাদ জগতলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। সাংবাদিক পেঞ্চন লাভ কৰা প্ৰয়াত চিত্ৰকৰে সামাজিক, সাংস্কৃতিক, ক্ৰীড়া, সাহিত্য আদিৰ ক্ষেত্ৰত জড়িত হৈ যথেষ্ট বৰঙনি আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ ৰাজ্যখনৰ সংবাদ তথা সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত পদ্মেশ্বৰ চিত্ৰকৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

প্ৰবীণ সাংবাদিক পদ্মেশ্বৰ চিত্ৰকৰৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী মিডিয়া উপদেষ্টাগৰাকীয়ে কয় যে প্ৰয়াত চিত্ৰকৰে অসমৰ সংবাদ জগতলৈ সুদীৰ্ঘ সময় ধৰি যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তেখেতৰ বিয়োগ ৰাজ্যখনৰ সংবাদ জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মিডিয়া উপদেষ্টাগৰাকীয়ে কয়।

মিডিয়া উপদেষ্টাগৰাকীয়ে প্ৰয়াত পদ্মেশ্বৰ চিত্ৰকৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে আজি শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকি তেখেতৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**০৭/৫/২০২০**